## কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰণালয়
## ভাৰত চৰকাৰ

# বিনিয়োগকাৰীসকলৰ
# মূলধন বজাৰ সম্পৰ্কীয় সংক্ষিপ্ত নিৰ্দেশিকা

সম্পাদনা
পৃথিৱী হলদিয়া
প্ৰাইম ডাটাবেছ

বিনিয়োগ শিক্ষা আৰু সুৰক্ষা পুঁজিৰ সৌজন্যত
জুন, ২০১০

ছলমন খুৰ্শ্বিদ
ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)
কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়, ভাৰত চৰকাৰ

“কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়ে চলিত বিত্তীয় বৰ্ষত বিনিয়োগাৰীসকলৰ জনসচেতনতামূলক কাৰ্যসূচীক ৰাষ্ট্ৰীয় কাৰ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যক সাৰোগত কৰি আমি বিভিন্ন অনুষ্ঠানক সাঙুৰি লৈছো যিসকলে চলিত বিত্তীয় বৰ্ষত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত তিনি হাজাৰৰো অধিক বিনিয়োগকাৰীসকলৰ অনুষ্ঠান অনুষ্ঠিত কৰিব। তদুপৰি আমি ‘অৱগত বিনিয়োগকাৰী—কৰ্পৰেট ভাৰতবৰ্ষৰ এক সম্পত্তি’ (Informed Investor–an Asset to corporate India) শীৰ্ষক ভাৱনা তথা বিষয়েৰে ২০১০ চনৰ জুলাই মাহত ‘ভাৰত বিনিয়োগকাৰী সপ্তাহ’ (India Investor Week) পালন কৰিবলৈ উদ্যোগ গ্ৰহণ কৰিছো। এই সন্দৰ্ভত মন্ত্ৰালয়ে এখনি বিনিয়োগকাৰীসকলৰ সংক্ষিপ্ত নিৰ্দেশিকা প্ৰকাশ কৰাৰ যো-জা কৰিছে যাৰ জৰিয়তে পুঁজি বিনিয়োগ কৰিব বিচৰা সাধাৰণ জনতাই তেওঁলোকৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে অৱগত হোৱাৰ লগতে বিনিয়োগৰ বিভিন্ন আহিলা আৰু সেইবোৰৰ স'তে জড়িত থকা শংকা আৰু ফলাফল সম্পৰ্কে অৱহিত হ'ব। মই নিশ্চিত যে বিনিয়োগ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত এই পুস্তিকা প্ৰকাশ এক বৈশিষ্ট্যপূণ পদক্ষেপ তদুপৰি এই প্ৰয়াসে ৰাষ্ট্ৰৰ কৰ্পৰেট অৰ্থনীতিৰ স'তে সাধাৰণ ৰাইজৰ সুসমন্বয় স্থাপন কৰাৰ ক্ষেত্ৰত এক বিশিষ্ট ভূমিকা পালন কৰিব।”

আৰ বন্দোপাধ্যায়
সচিব
কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়, ভাৰত চৰকাৰ

“মন্ত্ৰালয়ৰ বিনিয়োগকাৰী শিক্ষা আৰু সজাগতামূলক অনুষ্ঠানক এক বৃহৎ গণ অভিযানলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্যেৰে এই প্ৰচেষ্টাক অধিক বিকশিত আৰু ব্যাপক কৰি তোলাৰ লগতে এই অভিযানত বিভিন্ন অনুষ্ঠানক সহযোগী হিচাপে সাঙুৰি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তদুপৰি অতি সহজে বিনিয়োগকাৰীসকলক এই সম্পৰ্কীয় শিক্ষা দিয়াৰ বাবে মন্ত্ৰালয়ে এখনি পুস্তিকা প্ৰকাশ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে যি পুস্তিকাত বিনিয়োগৰ বিভিন্ন আহিলাৰ বিষয়ে সবিশেষ থকাৰ লগতে বিনিয়োগকাৰী সকলৰ অধিকাৰ আৰু দায়িত্বৰ বিষয়েও বিশদ ব্যাখ্যা সন্নিৱিষ্ট থাকিব। আশা কৰা যায় যে পুথি প্ৰকাশৰ এই প্ৰয়াসে বিপুল সংখ্যক সাধাৰণ ৰাইজক কৰ্পৰেট বিকাশ কাৰ্যক্ৰমত এই কাৰ্যসূচী অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ ই এক ন্যূনতম অভিলাষী বৰঙণি। মই নিশ্চিত যে এই বিষয়ৰ ওপৰত বিশেষ অৰ্হতাসম্পন্ন ব্যক্তি শ্ৰীপৃথিৱী হলদিয়াৰ সম্পাদনাত প্ৰকাশিত এই পুথিৰ বিষয়বস্তুৰদ্বাৰা বৰ্তি থকা আৰু সম্ভাব্য বিনিয়োগকাৰীসকল উপকৃত হ'ব।”

# বিনিয়োগ শিক্ষা আৰু সুৰক্ষা পুঁজি

বিনিয়োগকাৰীসকলৰ মাজত সজাগতা অনা আৰু তেওঁলোকৰ সুদৰ সুৰক্ষার্থে ১৯৫৬ চনৰ কোম্পানি আইনৰ অধীনত বিনিয়োগকাৰীৰ শিক্ষা আৰু সুৰক্ষা পুঁজি (Investar Education and Protection Fund (IEPF) গঠিত হয়। আই ই পি এফৰ অধীনত আলোচনা-চক্র আৰু প্রচাৰ কার্যসূচীৰ জৰিয়তে বিনিয়োগকাৰীসকলক শিক্ষা প্রদান কৰা আৰু তেওঁলোকৰ মাজত সচেতনতা বৃদ্ধি কৰাৰ লগতে এই সম্পৰ্কীয় পুঁজিৰ যোগান ধৰা হয়। আই ই পি এফে ইতিমধ্যে এই সন্দৰ্ভত তিনিটা ৱেব্‌চাইটো মুকলি কৰিছে।

# আই ই পি এফৰ বিনিয়োগকাৰী সম্পৰ্কীয় ৱেব্‌চাইট

আই ই পি এফ. গভ. ইন (Iepf.gov.in)

এই ৱেব্‌চাইটটিয়ে ক্ষুদ্ৰ বিনিয়োগকাৰীসকলক তেওঁলোকৰ প্রয়োজনীয় মূলধন বজাৰ সম্পৰ্কীয় সকলোধৰণৰ তথ্যসমল তেওঁলোকৰ ভাষাতে যোগান ধৰে।

তদুপৰি এই ৱেব্‌চাইট্‌টিয়ে সদ্যহতে ভাৰতীয় ডাক অৰ্ডাৰ (IPO) বিনিয়োগ, মিউচুয়েল ফাণ্ড বিনিয়োগ, মজুত ব্যৱসায়, সঞ্চয়ী একাউন্ট, দেনা বজাৰ, ডেৰিভেটিভ্‌ছ, ইণ্ডিচেছ, ইণ্ডেক্স ফাণ্ড, বিনিয়োগকাৰীসকলৰ ওজৰ-আপত্তি আৰু নিষ্পত্তিকৰণ [মজুত লেনদেন (Stock Exchanges)], বিনিয়োগকাৰীসকলৰ অধিকাৰ আৰু দায়িত্ব, কৰণীয় আৰু অকৰণীয় ইত্যাদি, বিভিন্ন বিষয় সাঙুৰি লৈছে। এই ৱেব্‌চাইটি বৰ্তমান ইংৰাজী আৰু হিন্দী ভাষাৰ উপৰি ১২ টা প্রধান আঞ্চলিক ভাষাত উপলব্ধ।

**ৱাচ্ আউট ইনভেষ্টৰছ্ ডট্ কম (watchoutinvestors.com)**

আত্মৰক্ষাই হৈছে ঠগ-প্ৰবঞ্চকৰ বিৰুদ্ধে ল'ব পৰা সঠিক আৰু উত্তম সুৰক্ষা। বিশ্বৰ ভিতৰতে সৰ্বপ্ৰথম হিচাপে গণ্য কৰিবপৰা এই বিনামূলীয়া ৰাজহুৱা ৱেব্‌চাইট সেৱাই বিনিয়োগকাৰীসকলক আত্ম-সুৰক্ষাৰ অস্ত্ৰ প্ৰদানেৰে তেওঁলোকক ঠগ-প্ৰবঞ্চক/দায়িত্বহীন কোম্পানি, মধ্যভোগী আৰু অসৎ ব্যক্তিৰপৰা বচাই ৰাখে। এই ৱেব্‌চাইটটো বৰ্তমান এনে ধৰণৰ অস্তিত্বৰ বিৰুদ্ধে এটা ৰাষ্ট্ৰীয় পঞ্জীকৃত ৱেব্‌চাইট।

ৱাচ্‌আউট ইনভেষ্টৰছ্ ডট কমে ক্ষিপ্ৰ, পৈণত আৰু ব্যৱহাৰ কৰোতাৰ সহায়ক অনুসন্ধান কৰাৰ ক্ষেত্ৰত বিনিয়োগকাৰীসকলক সক্ষম কৰি তোলাৰ লগতে তেওঁলোকক এনে অস্তিত্ব তথা ব্যক্তিৰ বিয়ে তথ্য যোগান ধৰে; যাৰ জৰিয়তে বিনিয়োগকাৰীসকলে পুঁজি বিনিয়োগ কৰাৰ আগতে তেনে অনুষ্ঠান বা ব্যক্তিৰ বিষয়ে জানিব পাৰে।

যোৱা ৩১ মে, ২০১০ তাৰিখলৈকে এই ৱেব্‌চাইটটোৱে ৭২/৫১৭ টা কোম্পানি/প্ৰতিষ্ঠান আৰু ৩৩,৯৪৭ জন ব্যক্তিক সাঙুৰি ১০৬,০০০ টা দোষী/দায়িত্বহীন অস্তিত্ব তালিকাভুক্ত কৰিছে। বি এছ ই, চি ডি এছ এল, চি এল বি, ডি আৰ টি, ই পি এফ অ', আই এৰ ডি এ, এম চি এ, এন এইচ বি, এন এছ ডি এল, এন এছ ই, আৰ বি আই, আৰ, অ' চি আৰু এছ ই বি আইকে ধৰি বিভিন্ন নিয়ন্ত্ৰণশীল অনুষ্ঠানৰ আদেশৰ ভিত্তিত এই ৱেবচাইটে উক্ত তালিকা প্ৰস্তুত কৰি উলিয়াইছে।

উল্লেখযোগ্য যে লাখ লাখ বিনিয়োগকাৰীয়ে ৱাচ আউট ইন্‌ভেষ্টৰছ্ ডট কম ব্যৱহাৰ কৰে (৩১ মে, ২০১০ তাৰিখলৈকে ২৭ লাখৰো আধিক)।

**ইনভেষ্টৰ হেল্পলাইন ডট্ ইন** (investorhelpline.in)

কোম্পানী পৰিক্ৰমা মন্ত্ৰণালয়, কোম্পানিপঞ্জীয়ক, ভাৰতীয় বিত্তীয় নিৰাপত্তা আৰু বিনিময় পৰিষদ, ভাৰতীয় ৰিজাৰ্ভ বেংক ইত্যাদি বিভিন্ন কৰ্তৃত্বশীল বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ক্ষেত্ৰক সাঙুৰি লৈ এটি মূধচৰ তলতেই বিনিয়োগকাৰীৰ ওজৰ-আপত্তি নিষ্পত্তি কৰিব পৰা ই এক একনিষ্ঠ বিনামূলীয়া ৱেব্‌চাইট সেৱা। এই ৱেব্‌চাইটে কোম্পানি আৰু সংশ্লিষ্ট কতৃপক্ষ উভয়ৰে অভিযোগ গ্ৰহণ সেইমূহৰ নিষ্পত্তিৰ ব্যৱস্থা কৰে।

বিনিয়োগকাৰীসকলে এই ৱেব্‌চাইটৰ জৰিতে মূলধন বজাৰ আৰু কোম্পানি জমা সম্পৰ্কীয় ওজৰ-আপত্তি তথা অসুবিধাসমূহ প্ৰ-পত্ৰচ লিপিবদ্ধ কৰি অতি সহজেই সংশ্লিষ্ট কতৃপক্ষলৈ প্ৰেৰণ কৰাৰ উপৰি 'অন লাইন'তে তেওঁলোকৰ অভিযোগসমূহ নিষ্পাতিকৰণ প্ৰক্ৰিয়াৰ অগ্ৰগতি সম্পৰ্কে বুজ ল'ব পাৰে।

বৰ্তমান এক বুজন সংখ্যক বিনিয়োগকাৰী এই সেৱাৰ সুবিধা গ্ৰহণ কৰি আছে।

# সম্পাদকৰ ২০ টা মন্ত্ৰ

## সুবিবেচনাৰে সঞ্চয় কৰক...
## ততোধিক সতৰ্কতাৰে বিনিয়োগ কৰক

বিনিয়োগ

- বিনিয়োগ বাধ্যতামূলক
- আপুনি বিনিয়োগ কৰিবই লাগিব অন্যথা আপোনাৰ
- সঞ্চয়ৰাশিৰ মূল্য/ক্ৰয়ক্ষমতা হ্ৰাস হাব।
- সি যি নহওক, অমনোযোগী আৰু জধে-মধে কৰা বিনিয়োগৰ ফলত সম্পত্তি বিপদাপন্ন হয়।

**বিবেচনাপূৰ্ণ বিনিয়োগৰ ২০ টা মন্ত্ৰ**

**মন্ত্ৰ ১**

- শক্তিশালী ভেটিত প্ৰতিষ্ঠিত কোম্পানিত আপোনাৰ ধন বিনিয়োগ কৰক।
- তাৎক্ষণিক আৰু অতি কম খৰচী পুঁজিত বিনিয়োগ নকৰিব।
- শক্তিশালী ভেটিত প্ৰতিষ্ঠিত কোম্পানিতহে আপোনাৰ ধন বিনিয়োগ কৰক।এই কোম্পানীবোৰ যি কোনো পৰিস্থিতিত বজাৰৰ বিত্তীয় হেঁচা সহ্য কৰিবলৈ সক্ষম হোৱাৰ লগতে সুদূৰ ভৱিষ্যতলৈ ভাল ফলাফল দুখুৱাবলৈ সক্ষম।
- কোম্পানী/প্ৰমটাৰসকল ওচৰত বন্ধকী বিনিয়োগ পুনৰ বিক্ৰী কৰি বপৰা নাযায়।
- শক্তিশালী পুঁজিবোৰ পনীয়া (liquid) ও।

**মন্ত্ৰ ২**

**ভালদৰে পঢ়ক**

- আপোনাৰ কষ্টোপাৰ্জিত ধনৰ স'তে জুৱা নেখেলিব।
- বিনিয়োগৰ ক্ষেত্ৰত মনোযোগী হোৱা খুবেই জৰুৰী।
- আপোনালৈ আগবঢ়োৱা সুবিধাসমূহৰ বিষয়ে পঢ়ক।বৰ্তমান ১০০০ পৃষ্ঠাতকৈয়ো অধিক সুবিধাৰ পৃষ্ঠাবোৰ খৰচি মাৰি পঢ়াটো কষ্টকৰ যদিও ই এক উপদেশ।আনহাতেদি সংক্ষিপ্ত নিৰ্দেশিকা পঢ়াটোও ক্লান্তিজনক যদিও আপুনি ইয়াক পঢ়িবই লাগিব; অন্ততঃ শংকাৰ কাৰকসমূহ, আইনগত নীতি-নিয়ম, প্ৰৰ্মটাৰ, কোম্পানীৰ ইতিহাস, প্ৰকল্প আঁচনিৰ উদ্দেশ্য, বিত্তীয় তথ্যৰ মূলকথাসমূহ।

**মন্ত্ৰ ৩**

**বিনিয়োগৰ জীৱনচক্ৰ অনুসৰণ কৰক**

- ডেকাকাল নাইবা কম বয়সত আপুনি বৃহৎ আশংকা গ্ৰহণ কৰিবলৈ সক্ষম হৈ থাকে।
- ৫০ বছৰ বয়স গৰকাৰ পিছত আপুনি শংকাযুক্ত আছিল তথা কাৰকসমূহ লাহে-লাহে পৰিত্যাগ কৰক।
- ৫৫/৬০ বছৰ বয়সত আপুনি বন্ধকী ব্যৱস্থা (Equity)ৰপৰা সম্পূৰ্ণ মুক্ত। (আপুনি আপোনাৰ নতুন উপাৰ্জনৰ বাট বন্ধ কৰাৰ লগে লগে আপোৱাৰ ধনৰাশিৰ ক্ষতিৰ বোজা বহন কৰিবলৈ কেতিয়াও সক্ষম নহ'ব।) এই সময়ত টেলিভিচনত দৰ-দাম চোৱাতকৈ আপোনাৰ জীৱনত তাতোকৈ ভাল বস্তু আছে!

**মন্ত্ৰ ৪**

**আই পি অ' (IPO) ত বিনিয়োগ কৰক**

- আই পি অ' (IPO) বিনিয়োগৰ এটি উত্তম প্ৰবেশস্থান।
- শ্বেয়াৰ বজাৰৰ উত্তৰণৰ সময়ত বহুতো ক্ষেত্ৰত প্ৰায়ভাগ আই পি অ'ই সুফল দেখুওৱা পৰিলক্ষিত হৈছে। তদুপৰি নিৰ্ধাৰিত তাৰিখত বিনিয়োগকাৰীসকলে অধিক মুনাফা ঘটাও দেখা গৈছে। যদি এগৰাকী বিনিয়োগকাৰীয়ে যথাসময়ত মুনাফা গ্ৰহণ নকৰে তেন্তে বুজিব লাগিব যে তেওঁ লোভী অথবা কোম্পানি/ উদ্যোগ/বজাৰক তেওঁ ভুল পথে পৰিচালনা কৰিব বিচাৰিছে। তেলে ক্ষেত্ৰত আই পি অ' মূল্য তেওঁৰ ওচৰত দায়বদ্ধ নহ'ব। মনত ৰাখিব...
- আই পি অ'সূহ কিনিব লাগে; সেইবোৰক জোৰকৈ বিনিয়োগকাৰীৰ ওপৰত জাপি দিব নোৱাৰি।
- সমস্যা এইটোৱেই যে আই পি অ'ক আমি ঢোকা দিবলৈহে ব্যৱহাৰ কৰো যদিও ওৰে জীৱন তাৰ সুফল পাবলৈ বাঞ্ছা কৰো।আই পি অ এটা নিৰ্ধাৰিত তাৰিখত নিৰ্বাৰিত পুজিলৈ পৰিৱৰ্তন হয়; সেয়েহে সি তেনেকুৱা ব্যৱহাৰেই প্ৰদৰ্শন কৰে।
- সিদ্ধান্ত লওক আপুনি আই পি অ'ত বিনিয়োগ কৰিব নে কোম্পানিত বিনিয়োগ কৰিব। যদি আই পিঅ'ত কৰে তেন্তে নিৰ্ধাৰিত তাৰিখত বিনিয়োগৰপৰা ওলাই যাওক; যদিহে কোম্পানিত বিনিয়োগ কৰে তেন্তে বিনিয়োগৰাকী কোম্পানি হিচাপে বৰ্তি থাকিক।

যি কোনো ক্ষেত্ৰতে যদি কিউ আই বি (QIB) 'অ'ভাৰ ছাবছক্ৰিপশ্যন' শক্তিশালী হয় তেনে হ'লেহে বিনিয়োগ কৰিব। আৰু এ এছ বি এ (ASBA) পদ্ধতি ব্যৱহাৰ কৰিব।

**মন্ত্ৰ ৫**

**প্ৰত্যেক পি এছইউ (PSU) আই পি অ' (IPO) ত অৱশ্যেই বিনিয়োগ কৰক।**

- আই পি অ' (IPO) বোৰ সচৰাচৰ ভাল, আস্থাবাজন আৰু লাভদায়ক পি এছ ইউ (PSU) ৰ পৰা অহা। সেয়েহে এইবোৰত খুব কমেই শংকা বা প্ৰবঞ্চনাৰ সুবিধা থাকে।

- খুচুৰা বিনিয়োগকাৰীসকলৰ বাবে সদায়েই ইয়াত ৰেহাইৰ ব্যৱস্থা থাকে।
- তালিকাভুক্ত মূল্যক লৈ কেতিয়াও চিন্তান্বিত নহ'ব। বিনিয়োগ কৰি থাকক।

**মন্ত্ৰ ৬**

**উমৈহতীয়া পুঁজি বা মিউচুয়েল ফাণ্ডত বিনিয়োগ কৰক। কিন্তু সঠিক পুঁজি আৰু সঠিক আঁচনিহে নিৰ্বাচন কৰিব।**

- ভাৰতবৰ্ষত মিউচুয়েল ফাণ্ড কৰ্পৰেট পুঁজি তথা কোম্পানিৰদ্বাৰা অৱদমিত আৰু ক্ষুদ্ৰ বিনিয়োগকাৰীসকলক সামান্য পৰিমাণেহে গুৰুত্ব দিয়া দেখা যায়।
- তথাপি এতিয়ালৈকে ক্ষুদ্ৰ বিনিয়োগকাৰীসকলৰ বাবে মিউচুয়েল ফাণ্ড এটি সুবিধাজনক বিনিয়োগ ব্যৱস্থা।
- ভাৰতবৰ্ষত বহুতো মিউচুয়েল ফাণ্ড আৰু বহুতো আঁচনি আছে; তাৰে ভিতৰত সঠিক ফাণ্ড আৰু সঠিক আঁচনি নিৰ্বাচন কৰক।

**মন্ত্ৰ ৭**

**বিক্ৰী কৰিবলৈ শিকক**

- বেছিভাগ বিনিয়োগকাৰীয়েই অংশপত্ৰ কিনে আৰু ৰাখি থয়। (প্ৰচাৰ মাধ্যমৰ জৰিয়তে বেছিভাগ অৰ্হতাসম্পন্ন ব্যক্তিয়েই অংশপত্ৰ ক্ৰম কৰি ৰাখি থোৱাৰ উপদেশহে দিয়া দেখা যায়। খুব কমেইহে বিক্ৰী কৰাৰ কথা কয়।)
- মুনাফা তেতিয়াই হয় যেতিয়া এই ধন আপোনাৰ বেংকত থাকে (আপোনাৰ ৰেজিষ্টাৰ বহী কিম্বা 'এক্সেল শ্বিট'ত নহয়।)
- মনত ৰাখিব, আপুনি কেতিয়াও বজাৰ মুনাফা বৃদ্ধি কৰিব নোৱাৰে, সেয়েহে লোভী নহ'ব।
- মুনাফাৰ লক্ষ্য নিৰ্ধাৰণ কৰক আৰু বিক্ৰী কৰক।

**মন্ত্ৰ ৮**

**পঞ্জীয়নবদ্ধ দালালৰ স'তে লেন-দেন কৰক**

- বজাৰত বহুতো সুবিধাবাদী দালাল আছে যি সকলে আপোনাক কম সময়ত অধিক মুনাফাৰ টোপ দিব আৰু আপোনাৰ কষ্টোপাৰ্জিত ধন লৈ অন্তৰ্ধান হ'ব।
- পঞ্জীয়নবদ্ধ দালালৰ স'তে লেন-দেন কৰা নিৰাপদ আৰু জটিলতাৰ সৃষ্টি হ'লে তেওঁলোকৰ বিৰুদ্ধে নিয়ন্ত্ৰণমূলক ব্যৱস্থাৰো আশ্ৰয় ল'ব পাৰি।

**মন্ত্ৰ ৯**

**আপুনি নিজকে লোভৰ সহজ চিকাৰ হ'বলৈ নিদিব।**

- বিভিন্ন ধৰণৰ প্ৰলোভন দেখুৱাই আপোনাক লোভী কৰি তুলিবলৈ আপোনাৰ চৌপাশে বহুতো ঠগ-প্ৰবঞ্চক ঘূৰি ফুৰিছে।
- বেছিভাগ বিত্তীয় কেলেংকাৰিতে ক্ষুদ্ৰ বিনিয়োগকাৰী জড়িত থকা দেখা যায়।
- আপোনাৰ ধনৰ সন্ধেদ ল'ব খোজা অকৰ্তৃত্বশীল ব্যক্তি-প্ৰতিষ্ঠানৰপৰা সাৱধান।

**মন্ত্ৰ ১০**

**প্ৰচাৰ মাধ্যমৰপৰা সাৱধান, বিশেষকৈ ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে প্ৰচাৰিত ষ্টক সম্পৰ্কীয় উপদেশসমূহৰ ক্ষেত্ৰত সতৰ্ক হওক।**

- পুঁজি বজাৰত বহুতো 'সাধুলোক'ক স্বেচ্ছামূলকভাৱে উপদেশ দি ফুৰা দেখা যায়। তেনে উপদেশ-বাণীৰপৰা সাৱধান হওক।
- দৰাচলতে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে এনে ব্যক্তিসকলে উপদেশ দি ফুৰে।
- তদুপৰি এছ এম এছ আৰু ই-মেইলৰ জৰিয়তে অধিক লাভজনক হিচাপে দেখুওৱা আঁচনিত অন্তৰ্ভুক্ত হোৱাৰপৰা নিজকে বচাই ৰাখক।

**মন্ত্ৰ ১১**

**বিজ্ঞাপনৰ কথাত ভোল নাযাব।**

- বিজ্ঞাপনৰ কামেই হৈছে আপোনাক আকৰ্ষিত কৰি তোলা।
- বিজ্ঞাপনৰ আকৰ্ষণীয় শিৰোনামা, আবেদনময় তথা চিত্তাকৰ্ষক দৃশ্য, লোভনীয় বা-বাতৰিত প্ৰলোভিত নহ'ব।

**মন্ত্ৰ ১২**

**নিধাৰিত/ গেৰাণ্টিযুক্ত পৰিশোধমূলক আঁচনিৰপৰা সাৱধান।**

- বেংকে আগবঢ়োৱা সুতৰ হাৰতকৈ কোনোবাই যদি অধিক ধনৰাশি আগবঢ়ায়, সেয়া সন্দেহজনক।
- প্লেনটেশ্যন কোম্পানিবোৰলৈ মন কৰক—তেওঁলোকে বৃহৎ পৰিমাণৰ লাভৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে (কিছু ক্ষেত্ৰততো এদিনত ৫০ শতাংশত কৈয়ো অধিক)!

**মন্ত্ৰ ১৩**

**অৱনমিত বজাৰৰ উচ্চ লাভৰপৰা সতৰ্ক হওক**

- এইবোৰ একেবাৰে কৃত্ৰিম আৰু সচৰাচৰ প্ৰম'টাৰ সকলে নিজেই সৃষ্টি কৰা।

**মন্ত্ৰ ১৪**

**বিত্তীয় খণ্ডৰ অস্থিৰতাত নিমজ্জিত নহ'ব।**

- বৰ্তমান খণ্ড অস্থিৰতাৰ সৃষ্টি হৈছে যোগান আৰু আন্তঃগাঠনিমূলক ক্ষেত্ৰ চৌদিশে।
- মনত ৰাখিব, বিত্তীয় খণ্ডৰ প্ৰতিটো কোম্পানিয়েই কিন্তু ভাল নহয়। প্ৰতিটো খণ্ডতে কিছু ভাল কোম্পানি, কিছু তুলনামূলকভাৱে ভাল কোম্পানি আৰু কিছু বেয়া কোম্পানি থাকে।

- সেইসমূহ কোম্পানিৰপৰা সতর্ক হওক, যি সকলে বিত্তীয় খণ্ডত নিজকে আকৰ্ষণীয় কৰি দেখুৱাবলৈ নিজৰ নাম সলনি কৰে।

**মন্ত্ৰ ১৫**

**'সুবিধাজনক' কাৰকৰ ওচৰত অধিক নিৰ্ভৰ নকৰিব যেনেকৈ**

- আই পি অ' গ্ৰেডিং
- স্বাধীন পৰিচালনা

**মন্ত্ৰ ১৬**

**কোনো একাউণ্ট হিচাপ পৰীক্ষকৰদ্বাৰা পৰীক্ষিত হৈছে বুলিয়েই সেই একাউণ্টৰ ভিত্তিত চকু মুদি কোনো সিদ্ধান্ত নল'ব।**

- জাল একাউণ্ট আৰু বিত্তীয় মুনাফাৰ ভুৱা বিজ্ঞাপনৰদ্বাৰা সংঘটিত হোৱা প্ৰবঞ্চনাৰ খবৰ আজিকালি য'তে-ত'তেই পোৱা যায়। এই ক্ষেত্ৰত সত্যম কোম্পানিৰ দৰে বিত্তীয় কেলেংকাৰি বাতৰিও সতর্কতামূলক।
- একাউণ্টৰ অৰ্হতা আৰু টোকাখিনি ভালদৰে পঢ়ক।
- একাউণ্টত অস্বাভাৱিক কিবা লেখা সন্নিৱিষ্ট আছে নেকি লক্ষ্য কৰক; বিশেষকৈ পাৰ্টিৰ লেনদেন, বিভিন্ন ঋণী, সহযোগী একাউণ্ট তথা হিচাপ-নিকাচ সম্পৰ্কীয় কথা।

**মন্ত্ৰ ১৭**

**সস্তীয়া অংশ বা শ্বেয়াৰ মাত্ৰেই ক্ৰয়যোগ্য নহয়।**

- দামলৈ নাচাব, তাৰ প্ৰকৃত মূল্যলৈহে লক্ষ্য কৰক।
- শ্বেয়াৰৰ দাম কম হ'বও পাৰে। ইয়াৰ অৰ্থ হ'ল কোম্পানিয়ে দৰাচলতে ভাল ফলাফল দেখুওৱা নাই। (কিন্তু কোম্পানি/খণ্ডৰ অতিৰঞ্জিত প্ৰচাৰে আপোনাক প্ৰলোভিত কৰিব পাৰে।)
- উল্লেখ্য এয়ে যে এইবোৰৰ দৃশ্যমূল্য (face value) ভগাই দিয়াৰ বাবেই এইবোৰৰ দাম কম হৈ থাকে। (৫০০ ৰো অধিক কোম্পানিয়ে তেওঁলোকৰ অংশ বা শ্বেয়াৰ ভগাই দিয়ে।)

—মূল উদ্দেশ্য ঃ ক্ষুদ্ৰ বিনিয়োগকাৰী বাবে শ্বেয়াৰসমূহ ক্ৰয়ক্ষম কৰা।

— অংশ ক্ৰয় কৰাৰ ক্ষেত্ৰত কোনো বাধ্য-বাধকতা নাই; এগৰাকী বিনিয়োগকাৰীয়ে কেৱল মাত্ৰ এটি অংশও ক্ৰয় কৰিব পাৰে।

— প্ৰকৃত উদ্দেশ্য ঃ শ্বেয়াৰসমূহক 'সস্তীয়া' হিচাপে দেখুওৱা।

— কিছুমান কোম্পানিয়ে তেওঁলোকৰ ৫০ টকীয়া মূল্যৰ শ্বেয়াৰসমূহক ১ : ১০ অনুপাতত বিভক্ত কৰাও দেখা যায়!

**মন্ত্ৰ ১৮**

**প্ৰম'টাৰসকলে স্বাধীনচিতীয়াবাৰেই শ্বেয়াৰ / ওৱাৰেণ্ট বিক্ৰী অথবা জাৰি কৰিবপৰা কোম্পানিৰ ক্ষেত্ৰত সতর্ক হওক।**

- কোম্পানিয়ে প্ৰম'টাৰসকলক দিয়া এই ক্ষমতাই প্ৰম'টাৰসকলকহে উপকৃত কৰে। (অথচ শুদ্ধ পথ হৈছে বিনিয়োগকাৰীৰ স্বত্ব।)

**মন্ত্ৰ ১৯**

**কৰ্পৰেট গভাৰ্নেঞ্চ বঁটা-বাহন/চি এছ আৰ আদিত ভোল নাযাব।**

- বেছিভাগ ভুৱা কোম্পানিয়ে কৰ্পৰেট গভাৰ্নেঞ্চ আৰু চি এছ আৰ আদি ক্ৰিয়াকলাপৰ জৰিয়তে বিনিয়োগকাৰীক প্ৰলোভিত কৰি প্ৰবঞ্চনা কাৰ্য সংঘটিত কৰা দেখা যায়।

**মন্ত্ৰ ২০**

**সততা অৱলম্বন কৰক।**

- আপুনি নিজে সৎ হ'লেহে সততা আদায় কৰিব পাৰিব।
- আমি খুব দুৰ্বল বিনিয়োগকাৰী/আমাৰ কোনো বিনিয়োগ সংগঠন নাই —এই সকলোবোৰ দুশ্চিন্তা ততা দুৰ্বল মনোভাব পৰিত্যাগ কৰক।
- আপোনাৰ শক্তিশালী বিনিয়োগ সংগঠন গঢ়ি তোলা নাইবা তেনে সংগঠনত অন্তৰ্ভুক্ত হৈ প্ৰাপ্য অধিকাৰৰ বাবে যুঁজাৰ প্ৰয়োজনীয়তা আছে।
- আপোনাৰ দাবীক বিস্ফোৰিত কৰাৰ প্ৰয়োজনীয়তা আছে।

# বিনিয়োগকাৰীৰ অধিকাৰ

**মূলধন বজাৰ**

মূলধন বজাৰ হ'ল প্ৰতিভূতি (Securities) বজাৰ [বন্ধক আৰু ঋণ (equity and debt)] য'ত কোম্পানি আৰু চৰকাৰে দীৰ্ঘম্যাদী পুঁজিৰ সৃষ্টি কৰে আৰু দ্বিতীয় পৰ্যায়ৰ মূলধন বজাৰে এই প্ৰতি ভূতিসমূহৰ বাবে এটি ব্যৱসায়ৰ ভেটি নিৰ্মাণ কৰে। এছ্ ই বি আই, আৰ বি আইৰ দৰে নিয়ন্ত্ৰণশীল প্ৰতিষ্ঠানসমূহে শৃংখলাবদ্ধ বজাৰ পৰিচালনা আৰু বিনিয়োগকাৰীসকলৰ সুৰক্ষাৰ অৰ্থে মূলধন বজাৰ নিয়ন্ত্ৰণ কৰে।

কোম্পানি এটিৰ অংশীদাৰসকলেই হৈছে প্ৰকৃত স্বত্বাধিকাৰ। কোম্পানিয়ে যেতিয়া ভাল ফলাফল দেখুৱায় তেতিয়া তেওঁলোকে লভ্যাংশ আৰু পুঁজি বৃদ্ধিৰ জৰিয়তে মুনাফা অৰ্জন কৰে। ইয়াৰ বিপৰীতে কোম্পানিৰ মন্দাৱস্থাৰ সময়ত তেওঁলোকে আংশিক অথবা সম্পূৰ্ণভাৱে তেওঁলোকৰ বিনিয়োগকৃত ধনৰ ক্ষতি বহন কৰিবলগীয়া হয়।

**অংশীদাৰৰ অধিকাৰ**

- নিৰ্ধাৰিত সময়ৰ ভিতৰত আবণ্টিত অংশ গ্ৰহণ কৰা নাইবা ক্ৰয় কৰা।
- জমা-খৰচৰ হিচাপ, লাভ আৰু লোকচানৰ হিচাপ, হিচাপ-পৰীক্ষকৰ প্ৰতিৱেদনৰ সৈতে কোম্পানিৰ বাৰ্ষিক প্ৰতিৱেদন গ্ৰহণ কৰা।
- নিৰ্দিষ্ট সময়ত লভ্যাংশ (dividend) গ্ৰহণ কৰা।
- স্বত্ব (rights), ওপৰঞ্চি লাভ (bonus) আদিৰ দৰে অনুমোদিত নিকায়-সুবিধা গ্ৰহণ কৰা।
- 'টেক অ'ভাৰ', 'ডিলিষ্টিং' অথবা 'বাইবেক'ৰ ক্ষেত্ৰত সুবিধা গ্ৰহণ কৰা।
- কোম্পানিৰ সাধাৰণ সভাসমূহত অংশগ্ৰহণ কৰা/ভোট দিয়া।
- কোম্পানিৰ পঞ্জীকৃত কাৰ্যালয়ত থকা বিধিসন্মত ৰেজিষ্টাৰ বহীসমূহ পৰ্যবেক্ষণ কৰা।
- সাধাৰণ সভাৰ কাৰ্য-বিৱৰণী বহীবোৰ পৰ্যৱেক্ষণ কৰা আৰু সেইবোৰৰ কপি গ্ৰহণ কৰা।
- ভুৱা আৰু বিনিয়োগকাৰীৰ বন্ধুসুলভ নোহোৱা কোম্পানি বিৰুদ্ধে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰা আৰু সেইসমূহ নিষ্পত্তি কৰা।
- শ্বেয়াৰমূল্য পৰিশোধ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা কোম্পানিৰ বিৰুদ্ধে দেৱানী বা ফৌজদাৰী অধিনিয়মৰ অধীনত আইনগত ব্যৱস্থা গ্ৰহণ কৰা।
- ব্যৱসায় বন্ধ হোৱাৰ ক্ষেত্ৰত অৱশিষ্ট মূল্য গ্ৰহণ কৰা।

**ঋণপত্ৰ গ্ৰাহক (debentureholder) হিচাপে থকা অধিকাৰ**

- নিৰ্ধাৰিত সময়ত সুত/বিমোচন (redemption) গ্ৰহণ কৰা।
- অনুৰোধৰ পৰিপ্ৰেক্ষিতত ন্যাসদলিলৰ কপি গ্ৰহণ কৰা।
- ম্যাদ পূৰ্ণ হোৱা নিৰ্ধাৰিত তাৰিখত ঋণপত্ৰ বিমোচনত বিফল হোৱাৰ ক্ষেত্ৰত চি এল বিক আৱেদন জনোৱা।
- কোম্পানিয়ে ঋণ পৰিশোধত ব্যৰ্থ হোৱাৰ ক্ষেত্ৰত ব্যৱসায় বন্ধ কৰাৰ প্ৰক্ৰিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা।
- অভিযোগ নিষ্পত্তিকৰণৰ বাবে ঋণপত্ৰ ন্যাসৰক্ষীসকলৰ ওচৰ চপা।

**নিম্নোক্ত সুবিধাখিনি পাবলৈ প্ৰতিভূতি (Security) ৰ ক্ৰেতা/বিক্ৰেতা হিচাপে থকা অধিকাৰ**

— সঠিক মূল্য
— মূল্য / দালালী কমিচনৰ প্ৰমাণ
— নিৰ্দিষ্ট সময়ত ধন/অংশ
— দালাল, পুঁজিৰক্ষক একাউণ্ট বা হিচাপ-নিকাচৰ খতিয়ান।

**প্ৰতিভূতিৰ ক্ৰেতা/বিক্ৰেতা হিচাপে থকা দায়িত্ব**

— দালাল, পুঁজিৰক্ষক ইত্যাদিৰ সৈতে সঠিকভাৱে চুক্তি সম্পাদিত কৰা
— বৈধ বন্দোৱস্তী পত্ৰ থকা
— নিৰ্দিষ্ট সময়ত ধন দিয়া
—নিৰ্দিষ্ট সময়ত শ্বেয়াৰ বা অংশ দিয়া

**নিম্নোক্ত বিষয়ত নিষ্পত্তিকৰণৰ অধিকাৰ**

— ভুৱা দাম
—অসাধু দালালি
— ধন নাইবা অংশ প্ৰাপ্তিৰ ক্ষেত্ৰত দেৰী

**বিনিয়োগকাৰী হিচাপে আপোনাৰ কৰ্তব্য হ'ল—**

- নিজকে অৱগত কৰি ৰখা।
- নিজকে সৰ্বদা সজাগ কৰি ৰখা।
- নিজাববীয়াকৈ বা দলগত হিচাপে আপোনাৰ অধিকাৰসমূহ অনুশীলন কৰা।

# কৰিবলগীয়া আৰু কৰিব নলগীয়া

## বুনিয়াদী বজাৰ

### কৰিবলগীয়া

- ✓ তলত দিয়া বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি এ নিৰ্দেশিকা/সংক্ষিপ্ত নিৰ্দেশিকাখনি পঢ়ক।
  - ✓ শংকাজনক কাৰকসমূহ
  - ✓ প্ৰম'টাৰসকলৰ ভেটি
  - ✓ কোম্পানিৰ ইতিহাস
  - ✓ উল্লেখযোগ্য গোচৰ আৰু টাক পৰিশোধ কৰাৰ ক্ষেত্ৰত অসমৰ্থতা
  - ✓ উৎপন্ন বা মুনাফাৰ উদ্দেশ্য
  - ✓ উৎপন্ন বা মুনাফা মূল্যৰ ভিত্তি
  - ✓ আৱেদন প্ৰস্তুতকৰণৰ নীতি-নিৰ্দেশনা
- ✓ কবা সন্দেহ/সমস্যা থাকিলে আগবঢ়োৱা সুবিধাৰ তথ্য-পাতিত উল্লেখ থকা কম্প্লায়েঞ্চ বিষয়াৰ সৈতে যোগাযোগ কৰক।
- ✓ যদি আপুনি নিৰ্দিষ্ট সময়সীমাত ডিমাট একাউন্টৰ ঋণ অথবা আৱেদনকৃত ধন ঘূৰাই পোৱা নাই তেন্তে ঋণ মুকলি কৰা কোম্পানিৰ কম্প্লায়েঞ্চ বিষয়া আৰু ঋণোত্তৰ লীড প্ৰবন্ধকৰ ওচৰত অভিযোগ দাখিল কৰক।

### নকৰিবলগীয়া

- × জাৰি কৰা কৰ্তৃত্ব বা অন্য কাৰোবেই সৰল আৰু শংকামুক্ত প্ৰতিশ্ৰুতিৰ দ্বাৰা প্ৰভাৱান্বিত নহ'ব।
- × বৰ্তি থকা বজাৰৰ ঊৰ্দ্ধমুখী সূচাংক নাইবা একে উদ্যোগৰে আংশীদাৰী পত্ৰ অথবা জাৰি কৰা কোম্পানি/দলগত কোম্পানিৰ অংশীদাৰী পত্ৰৰ ওপৰত ভিত্তি কৰি বিনিয়োগ নকৰিব।
- × জাৰি কৰা কোম্পানিৰ শ্বেয়াৰ মূল্য যে তালিকাভুক্ত কৰাতকৈ চিৰদিনৰ বাবে ঊৰ্দ্ধমুখী হৈয়েই থাকিব তেনে আশা নকৰিব।

## মাধ্যমিক বজাৰ

### কৰিবলগীয়া

- ✓ বিনিয়োগ কৰাৰ আগতে কোম্পানিৰ প্ৰত্যয়জনক পৰিচয়, ইয়াৰ পৰিচালনা, বুনিয়াদ, তেওঁলোকৰ ঘোষণা, বিভিন্ন নিয়ন্ত্ৰণ সন্দৰ্ভত প্ৰকাশ কৰা তেওঁলোকৰ তথ্যপাতি ইত্যাদিৰ বিষয়ে ভালদৰে জ্ঞাত হৈ লওক। এই তথ্যবোৰৰ উৎস হৈছে বিনিময় কেন্দ্ৰ আৰু কোম্পানিৰ ৱেব্‌চাইট, তথ্য ব্যৱসায়ীসকলৰ 'ডাটাবেছ', ব্যৱসায় সংক্ৰান্তীয় বাতৰি-কাকত, আলোচনী আদি।
- ✓ একে পৰিমাণৰ শংকা বহনক্ষম ক্ষমতাৰ সৈতে আপুনি ব্যৱসায়ে/বিনিয়োগ কৌশল গ্ৰহণ কৰক। উল্লেখ্য যে প্ৰতিটো বিনিয়োগৰ ক্ষেত্ৰতে কিচু শংকা জড়িত হৈ থাকে। যাৰ পৰিমাণ গ্ৰহণ কৰা কৌশল সাপেক্ষে ভিন্ন হয়।
- ✓ বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে শংকা আৰু মুনাফাৰ বিষয়ে গমি লওক। ইয়াৰ লগতে লেন-দেনৰ সৰলতা (liqwdity) আৰু নিৰাপত্তাৰ বিষয়েও জানি লওক।
- ✓ কেৱল এছ ই বি আই (SEBI) ৰ দ্বাৰা অনুমোদিত ষ্টক বিনিময় কেন্দ্ৰৰ জৰিয়তেহে লেন-দেন কৰক।
- ✓ কেৱল এছ ই বি আই (SEBI) ৰ দ্বাৰা পঞ্জীকৃত দালাল/উপদালালৰ সৈতেহে ব্যৱসায় কৰক।
- ✓ দালালৰ সৈতে একাউণ্ট মুকলি কৰা তথা চুক্তিপত্ৰ সম্পাদিত কৰাৰ সময়ত ভালদৰে তথ্যপাতি পঢ়ি লওক আৰু সকলোখিনি বৈধতা সম্পূৰ্ণ কৰক। (মক্কেল পঞ্জীয়ন, মক্কেল-ব্যৱসায় সদস্য চুক্তি আদি)
- ✓ 'আপোনাৰ মক্কেল জানক' চুক্তি সম্পাদন কৰক
- ✓ আপোনাৰ দালাল/উপদালাল/ডি পিক স্পষ্ট আৰু খোলোচা নিৰ্দেশ দিয়ক।
- ✓ প্ৰত্যেকটো লেন-দেনৰ সময়ত চুক্তিপত্ৰ সম্পাদন কৰক আৰু প্ৰাপ্তিৰ সময়ত সেইবোৰ ভালদৰে চাই লওক। যদি কোনো সন্দেহ থাকে তেন্তে বিনিময় কেন্দ্ৰৰ ৱেব্‌চাইটৰ সৈতে আপোনাৰ ব্যৱসায়ৰ খুঁটি-নাটি ভালদৰে মিলাই চাওক তথা পৰীক্ষা কৰক।
- ✓ নিৰ্দিষ্ট সময়ত প্ৰয়োজনীয় প্ৰান্তীয় মূল্য প্ৰদান কৰক।
- ✓ নিৰ্ধাৰিত সময়ত বিক্ৰীৰ ক্ষেত্ৰত অংশ/সঞ্চয় পত্ৰ দিয়ক নাইবা ক্ৰয়ৰ ক্ষেত্ৰত প্ৰয়োজনীয় টকা দিয়ক।
- ✓ কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিকহে দালালী কমিচন/টকা-পইচা/প্ৰান্তীয় মূল্য দিয়ক।

- ✓ মাৰ্জিনৰ বাবে উপৰুৱা জমাৰ ক্ষেত্ৰত ৰচিদ লওক।
- ✓ লেন-দেনৰ কাগজ-পত্ৰ আৰু আপোনাৰ ডি পিৰ পৰা পোৱা হিচাপৰ খতিয়ান দুয়োটাই ভালদৰে পৰীক্ষা কৰক।
- ✓ ডি পিৰ দ্বাৰা স্বাক্ষৰিত 'ডেলিভাৰি ইন্সট্ৰাকস্যন শ্লিপ' বহীখন ভালদৰে ব্যৱহাৰ কৰক। নিশ্চিত কৰক যে 'ডি আই এছ' (DIS) নম্বৰ যাতে আগতীয়াকৈ মুদ্ৰিত থাকে আৰু আপোনাৰ একাউণ্ট নম্বৰো (মক্কেল পৰিচয়) আগতীয়াকৈ অংকিত হয়।
- ✓ যদি আপুনি সঘনাই লেন-দেন নকৰে তেন্তে আপোনাৰ ডিমাট একাউণ্টৰ বাবে দিয়া স্থিৰীকৰণ সুবিধা (freezing facility) গ্ৰহণ কৰক।
- ✓ প্ৰত্যেকটো বিনিয়োগৰ নথি-পত্ৰ ভালদৰে ৰাখক। লেন-দেন কৰাৰ আগতে বিভিন্ন দৰকাৰী প্ৰশ্ন সুধি মনৰ সন্দেহ আঁতৰাই লওক।

**নকৰিবলগীয়া**

- × যি কোনো বিনিয়োগৰ ক্ষেত্ৰত জড়িত থকা সংকাৰ বিষয়ে বিশদ জানিবলৈ কেতিয়াও নাপাহৰিব।
- × বন্ধ-বজাৰ লেন-দেন নকৰিব।
- × পঞ্জীকৃত নোহোৱা মধ্যৱৰ্তী ব্যক্তি বা দালালৰ সৈতে ব্যৱসায় নকৰিব।
- × অপ্ৰকৃত পৰিশোধ বা প্ৰত্যাভূতি অৰ্পিত পৰিশোধৰ প্ৰতিশ্ৰুতত ভোল নাযাব।
- × মানুহৰ মুখ বাগৰি অহা কথা, গুজব, ভিতৰুৱা খবৰ আদিৰ ভিত্তিত বিনিয়োগ নকৰিব।
- × ব্যৱসায়ত বা মূল্যৰ ক্ষেত্ৰত হঠাতে দেখা পোৱা চমক বা প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰকাশিত নিবন্ধ/সফলতাৰ কাহিনী আদিৰ ভিত্তিত সস্তীয়া ষ্টক থকা দুৰ্বল কোম্পানিৰ অংশ ক্ৰয় নকৰিব।
- × জাকৰুৱা হুজুগক অনুসৰণ নকৰিব আৰু হঠাৎ হোৱা চমকত ভোল নাযাব।
- × টেলিভিচন চেনেল / ৱেবচাইট / এছ এম এছ সমূহে অহৰ্নিশে প্ৰচাৰ কৰা বিনিয়োগ উপদেশবোৰ চকুমুদি বিশ্বাস নকৰিব।
- × কোনো ধৰণৰ হেঁচাত বিনিয়োগ নকৰিব আৰু অন্য লোকে তেওঁলোকৰ ব্যৱসায়ত কৰা লাভালাভ দেখিয়েই বিনিয়োগ নকৰিব।
- × বজাৰক নিজ খুচি মতে চালনা নকৰিব।
- × চৰকাৰী স্বীকৃতিপ্ৰাপ্ত / পঞ্জীকৃত কোম্পানী বুলিয়েই যিকোনো কোম্পানীৰ দ্বাৰা ভুল পথে পৰিচালিত নহ'ব। কিয়নো অন্য কোনো কাৰণৰ বাবেও সেই কোম্পানীৰ অনুমোদিত হ'ব পাৰে।
- × কোম্পানীৰ বিত্তীয় কাৰ্যকলাপৰ বিজ্ঞাপনত ভোল নাযাব।
- × প্ৰচাৰ মাধ্যমৰ নিকায় বা কৰ্পৰেট খণ্ডৰ বিকাশ সম্পৰ্কীয় প্ৰতিবেদনত ভোল নাযাব কিয়নো তাৰে কিছুমান অতিৰঞ্জনো হ'ব পাৰে।
- × তাৰিখোত্তৰ চেক (Post-dated cheque)ৰ জৰিয়তে আপোনাৰ ঋণ পৰিশোধ তথা লাভৰ নিশ্চিতি প্ৰদান কৰা কাৰ্যত পতিয়ন নাযাব।
- × সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আপোনাৰ বিনিয়োগ সম্পৰ্কীয় সন্দেহ বা অভিযোগ দাখিল কৰাৰ ক্ষেত্ৰত দোধোৰ-মোধোৰ নকৰিব।
- × আপোনাৰ দ্বাৰা স্বাক্ষৰিত আপোনাৰ ডিমাণ্ড একাউণ্টৰ ডেলিভাৰি নিৰ্দেশ পত্ৰ (DIS) য'তে ত'তে পেলাই নথ'ব।
- × আপোনাৰ ডি পি নাইবা দালালক আপোনাৰ স্বাক্ষৰ সম্বলিত ডেলিভাৰি নিৰ্দেশ পত্ৰ (DIS) নিদিব।

# দালাল আৰু উপ-দালালৰ সৈতে লেন-দেন কৰিবলগীয়া

- কেৱল মাত্ৰ এছ ই বি আই (SEBI) ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত দালাল / উপ-দালালৰ সৈতেহে লেন-দেন কৰিব আৰু চাব যাতে তেওঁলোকৰ এই ই বি আইৰ বৈধ প্ৰমাণ পত্ৰ আছেনে নাই।
- আপোনাৰ হৈ কোনে লেন-দেন কৰিব তাৰ স্পষ্ট নিৰ্দেশ দিয়াৰ লগতে আপোনাৰ দালাল / উপ-দালালক স্পষ্ট আৰু খোলোচা নিৰ্দেশ দিব।
- লেন-দেন আৰম্ভ কৰাৰ আগতে দালালে যাতে মক্কেল সম্পৰ্কীয় নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰে সেয়া নিশ্চিত কৰিব।
- স্পষ্ট নীতি-চৰ্ত্ত সহ আপোনাৰ দালাল / উপ-দালালৰ স'তে চুক্তিপত্ৰ সম্পাদিত কৰিব।
- চুক্তিপত্ৰত চহী কৰাৰ আগতে আপুনি চুক্তি আৰু সম্ভাব্য শংকাৰ কথাখিনি ভালদৰে পঢ়ি লৈছে নে নাই সেয়া নিশ্চিত কৰিব।
- আপুনি আৰু আপোনাৰ দালাল অথবা কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিয়ে চুক্তিপত্ৰৰ প্ৰতিটো পৃষ্ঠাতে স্বাক্ষৰ কৰিছে নে নাই সেই বিষয়ে নিশ্চিত কৰিব। চুক্তিপত্ৰখনত আপোনালোকৰ উপৰি সাক্ষীসকলেও তেওঁলোকৰ নাম-ঠিকনাসহ চহী কৰিব লাগিব।
- লেন-দেন হোৱাৰ ২৪ ঘণ্টা পিছত এখন বৈধ চুক্তিপত্ৰ / নিশ্চিত পত্ৰ সম্পাদন কৰিব।
- এই চুক্তিপত্ৰ / নিশ্চিতি পত্ৰৰ মূল কাকত আপোনাৰ হাতলৈ অহাৰ পিছতে দালালে নিজৰ সৈতে ৰাখিবলগীয়া উক্ত কাকতৰ নকলত আপুনি স্বাক্ষৰ কৰিব।
- প্ৰতিটো বন্দোৱস্তীৰ বাবদ এখনকৈ বিল লোৱাৰ ব্যৱস্থা কৰিব।
- চুক্তিপত্ৰত যাতে দালালৰ নাম-ঠিকনা, ব্যৱসায়ৰ ম্যাদ, নম্বৰ, লেন-দেনৰ মূল্য আৰু দালালী কমিচনৰ বিষয়ে স্পষ্টকৈ উল্লেখ সেয়া নিশ্চিত কৰিব।
- সময়ে সময়ে একাউণ্টৰ খতিয়ান লোৱাত গুৰুত্ব প্ৰদান কৰিব।
- দালালৰ ব্যৱসায়িক নামৰ বিপৰীতেহে চেক / ড্ৰাফ্‌ট আদি লিখিব।
- লেন-দেনৰ ৪৮ ঘণ্টাৰ ভিতৰতেই টকা দিয়া / ডেলিভাৰি দিয়াৰ ৰচিদ সংগ্ৰহ কৰিব।
- কোনো বাদ-বিবাদ উপস্থিত হ'লে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত মধ্যস্থতাকাৰী / ষ্টক বিনিময় কেন্দ্ৰ / এছ ই বি আইক লিখিত অভিযোগ দাখিল কৰিব।
- উপ-দালালৰ সৈতে বিবাদ সংঘটিত হ'লে অনতি পলমে প্ৰধান দালালক অৱগত কৰিব।
- ষ্টক বিনিময় কেন্দ্ৰ / এছ ই বি আইৰ নীতি-নিৰ্দেশনা আৰু তেওঁলোকে সময়ে সময়ে জাৰি কৰা জাননী পত্ৰ আদিৰ স'তে নিজকে ঘৰুৱা কৰিব।
- নিয়মিতভাৱে আপোনাৰ ডিমাট একাউণ্টৰ স্থিতি সম্পৰ্কে অৱহিত থাকিব।
- ক্ৰয় কৰাৰ আগতে আপোনাৰ টকা আছেনে নাই চাই ল'ব।
- বিক্ৰী কৰাৰ আগতে আপোনাৰ যে জমানত সেয়া নিশ্চিত কৰিব।

নকৰিবলগীয়া

- পঞ্জীকৃত নোহোৱা দালাল / উপ-দালাল নাইবা অন্য অনুমোদিত মধ্যস্থতাকাৰীৰ সৈতে লেন-দেন নকৰিব।
- কোনো মধ্যস্থতাকাৰীৰ সৈতে নথি-পত্ৰ নিয়ম চৰ্ত বুজি নোলোৱাকৈ সেইবোৰ কাৰ্যকৰী নকৰিব।
- আপোনাৰ ডিমটে একাউণ্টৰ লেন-দেন বহী কোনো দালাল বা উপদালালৰ হাতত জমা নাৰাখিব।
- আপোনাৰ দালাল / উপ-দালালজনে আপোনাৰ যিমানেই চিনাকি নহওঁক লাগে লেন-দেন সম্পৰ্কীয় সকলো কাগজ-পাতি তেওঁৰ পৰা ল'বলৈ নাপাহৰিব।

# উমৈহতীয়া পুঁজি

## (Mutual Funds)

**কৰিবলগীয়া**

- ✓ বিনিয়োগ কৰাৰ আগতে আঁচনিয়ে আগবঢ়োৱা সুবিধাৰ কাগজ-পাতিখিনি খৰচি মাৰি পঢ়ি ল'ব।
- ✓ উল্লেখ্য যে উমৈহতীয়া পুঁজিত বিনিয়োগ কাৰ্য বিপদ সংকুলো হ'ব পাৰে তদুপৰি লাভ যে হ'বই তাৰো কোনো নিশ্চয়তা নাথাকিব পাৰে।
- ✓ আপোনাৰ বিনিয়োগৰ লাভালাভ আৰু বিপদ সংকুলতা গমি চাই আঁচনিত বিনিয়োগ কৰক।
- ✓ স্মৰ্তব্য যে কোনো এটি আঁচনিৰ অতীতত দেখুওৱা কাৰ্য-কুশলতাই আঁচনিটিৰ ভৱিষ্যৎ নিৰূপণ নকৰে। অৰ্থাৎ ভৱিষ্যতে আঁচনিটিৰ পূৰ্ব কাৰ্য-কুশলতা বৰ্তি নাথাকিবও পাৰে।
- ✓ আপুনি বিনিয়োগ কৰা আঁচনিটিৰ এন এ ভি (NAV) নিয়মিতভাৱে পৰ্যৱেক্ষণ কৰক।
- ✓ আপোনাৰ বিনিয়োগ / বিমোচনৰ হিচাপ-খতিয়ান আপুনি পোৱাটো নিশ্চিত কৰক।

**কৰিবনলগীয়া**

- × কোনোবাই আপোনাক কমিচন, উপঢৌকন, উপহাৰ আদি দিব বুলিয়েই আঁচনিত বিনিয়োগ নকৰিব।
- × আঁচনি / উমৈহতীয়া পুঁজিৰ নাম শুনিয়েই উটি-ভাঁহি নাযাব।
- × কোনো এটি আঁচনি / পুঁজিৰ পূৰ্ব কাৰ্যকলাপ আৰু ভৱিষ্যৎ লাভৰ সম্ভাৱনাৰ কথা ভাবি নিজকে ভুল পথে পৰিচালিত নকৰিব।
- × বিনিয়োগৰ ক্ষেত্ৰত হ'ব পৰা সম্ভাব্য বিপদৰ কথা গমি চাবলৈ নাপাহৰিব।
- × আপোনাৰ সন্দেহ / অভিযোগ আদি নিষ্পত্তিকৰণৰ কাৰণে সংশ্লিষ্ট কৰ্তৃপক্ষৰ কাষ চাপিবলৈ থেৰো-গেৰো নকৰিব।
- × এ এম এফ আই (AMFI) ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত নোহোৱা কোনো প্ৰতিনিধি / দালালৰ সৈতে লেন-দেন নকৰিব।

# পুনৰ্ক্ৰয়

## (Buyback)

**কৰিবলগীয়া**

- ✓ প্ৰস্তাৱিত পুনৰ্ক্ৰয়ৰ সিদ্ধান্তসমূহ ভালদৰে পঢ়িহে সিদ্ধান্ত গ্ৰহণ কৰক।
- ✓ যোৱা কিছুমাহৰ বজাৰ মূল্যৰ সৈতে বাইবেক আঁচনিয়ে আগবঢ়োৱা মূল্যৰ তুলনা কৰাৰ লগতে প্ৰতিটো অংশৰ জৰিয়তে কোম্পানিৰ লাভ, বহী মূল্য আদিৰ তুলনা কৰক আৰু আঁচনিয়ে আগবঢ়োৱা মূল্য পৰিমিত হয়নে নহয় নিৰ্ণয় কৰক।
- ✓ অংশৰ নিবিদা-আৱেদনৰ বাবে থকা নিৰ্দেশিকাখিনি ভালদৰে পঢ়ক।
- ✓ নিৰ্ধাৰিত সময়ত আপোনাৰ আবেদনখন যাতে সংগ্ৰহ কেন্দ্ৰ পায় তাৰ প্ৰতি লক্ষ্য ৰাখক।
- ✓ সুবিধা-পত্ৰত উল্লেখ কৰা অনুসৰি আপোনাৰ আৱেদনৰ সৈতে সকলো নথি-পত্ৰ জমা দিয়ক
- ✓ সুবিধা-পত্ৰত দিয়া অনুযায়ী আবেদনখিনি ডাক / কুৰিয়াৰ জৰিয়তে নাইবা হাতে হাতে প্ৰেৰণ কৰক।
- ✓ নিবিদা আহ্বান কৰা শ্বেয়াৰৰ ক্ষেত্ৰত কোম্পানীৰ পৰা আশানুৰূপ সঁহাৰি নাপালে মাৰ্চেণ্ট বেংকাৰৰ স'তে যোগাযোগ কৰক।
- ✓ অফাৰ-পত্ৰত উল্লেখ কৰা অনুসৰি কোনো অভিযোগ থাকিলে কমপ্লায়েন্স বিষয়াক অভিযোগ দিয়ক।
- ✓ কোম্পানি আইন উলংঘিত হ'লে কোম্পানি পঞ্জীয়কৰ সৈতে যোগাযোগ কৰক।

**কৰিবনলগীয়া**

- × একেলগে কেবাটাও আৱেদন দাখিল নকৰিব।
- × আবেদন প্ৰ-পত্ৰখন স্পষ্টকৈ পূৰাবলৈ নাপাহৰিব।
- × আৱেদন প্ৰ-পত্ৰখন ফলা-ছিগা নকৰিব।
- × আৱেদন পত্ৰখন ভুল ঠিকনাত প্ৰেৰণ নকৰিব।
- × অফাৰ শেষ হৈ যোৱাৰ পিছত আৱেদন পত্ৰ নপঠাব।
- × আৱেদন পত্ৰখনত আপোনাৰ সম্পূৰ্ণ তথ্য দিবলৈ নাপাহৰিব।
- × আৱেদন পত্ৰখনত চহী কৰিবলৈ নাপাহৰিব।
- × আৱেদন পত্ৰখনত ভুল / সন্দেহযুক্ত তথ্য নিলিখিব।

# মুক্ত সুবিধা
# [Open offers (Under Takover Regulations)]

**কৰিবলগীয়া**

- ✓ মুক্ত সুবিধা বা অফাৰ গ্ৰহণ কৰাৰ আগতে আপুনি যে বিভিন্ন প্ৰতিযোগিতামূলক অফাৰ আৰু অফাৰ / অফাৰ মূল্যৰ পুনৰ্সংশোধন সম্পৰ্কে জ্ঞাত সেই বিষয়ে নিশ্চিত কৰক।
- ✓ প্ৰতিযোগিতামূলক অফাৰ বা সংশোধিত অফাৰৰ বিষয়ে জানিবলৈ বাতৰি কাকত / এছ ই বি আই ৱেৱচাইট আদিৰ সহায় লওঁক।
- ✓ অফাৰ পত্ৰত উল্লেখ কৰা অনুসৰি অফাৰটো অনুমোদন সাপেক্ষে হয় নে নহয় সেয়া লক্ষ্য কৰক।
- ✓ ডিমটে শ্বেয়াৰৰ ক্ষেত্ৰত অফাৰ শেষ হোৱাৰ আগতে বিশেষ জমা একাউণ্টত ঋণ জমা হৈছে নে নাই সেয়া নিশ্চিত কৰক।
- ✓ অফাৰ পত্ৰত উল্লেখ কৰা সময় / নথি-পত্ৰ হাতে হাতে জমা দিয়াৰ তাৰিখ আদি সম্পৰ্কীয় কথাখিনি মনোযোগেৰে পঢ়ক।
- ✓ আপোনাৰ নিবিদা গ্ৰহণৰ আগতে অফাৰ সংশোধনৰ বাবে শেষ তাৰিখলৈকে (অফাৰ শেষ হোৱা তাৰিখৰ ঠিক সাত কৰ্মদিন পূৰ্বৰ) অপেক্ষা কৰক।
- ✓ আপুনি যদি আপোনাৰ নিবিদা শ্বেয়াৰসমূহ উঠাই ল'ব বিচাৰে তেনে ক্ষেত্ৰত অফাৰ শেষ হোৱা তিনি কৰ্মদিন আগতে নিৰ্ধাৰিত সংগ্ৰহ কেন্দ্ৰত অফাৰ-পত্ৰৰ সৈতে উইথ্‌ড্ৰয়েল ফৰ্ম জমা দিয়ক।
- ✓ অফাৰ গ্ৰহণ কৰাৰ প-পত্ৰ, হস্তান্তৰ দলিল, জমা নিৰ্দেশ আৰু বাতিলকৰণৰ প্ৰ-পত্ৰ যাতে আপোনাৰ একে ধৰণৰ চহী থাকে আৰু সেই নথি-পত্ৰবোৰ কোম্পানিত জমা দিয়াৰ দৰে একেদৰে থাকে সেয়া নিশ্চিত কৰক।
- ✓ অফাৰৰ কাগজ-পাতি নোপোৱাৰ ক্ষেত্ৰত আপুনি বগা কাগজত আপোনাৰ সকলো তথ্য লিপিবদ্ধ কৰি নিবিদা বা বাতিলকৰণৰ বাবে আবেদন জনাব পাৰে।

**কৰিবনলগীয়া**

- × আপোনাৰ নিবিদা গ্ৰহণ কৰাৰ বাবে অফাৰৰ শেষ তাৰিখলৈকে অপেক্ষা নকৰিব।
- × প্ৰেৰণ কৰিবলগীয়া হস্তান্তৰ দলিতত ক্ৰেতা হস্তান্তৰকাৰীৰ সবিশেষ নিলিখিব।
- × অসম্পূৰ্ণ আৱেদন / অবৈধ নথি-পত্ৰ দাখিল নকৰিব।

# সমূহীয়া বিনিয়োগ আঁচনি
# [Collective Investment Schemes]

**কৰিবলগীয়া**

- ✓ অস্তিত্ব য়ে এছ ই বি আই (SEBI)ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সেয়া নিশ্চিত কৰক।
- ✓ অফাৰৰ নথি-পত্ৰসমূহ ভালদৰে পঢ়ক।
- ✓ আঁচনিৰ পূৰ্বাভাস সম্পৰ্কীয় প্ৰতিৱেদন পঢ়ক।
- ✓ আঁচনিৰ কাৰ্যকাৰিতা পৰীক্ষা কৰক।
- ✓ প্ৰম'টাৰসকলৰ ভেটি /কাৰ্য-কুশলতা পৰীক্ষা কৰক।
- ✓ অস্তিত্বৰ সম্পত্তি আদিৰ স্পষ্ট আৰু বজাৰ গ্ৰহণীয় নাম নিশ্চিত কৰক।
- ✓ আঁচনি ৰূপায়ণৰ বাবে সমূহীয়া বিনিয়োগ ব্যৱস্থাপনা কোম্পানী (CIMC) ওচৰত যে প্ৰয়োজনীয় সমল আছে সেই বিষয়ে নিশ্চিত হওঁক।
- ✓ আঁচনি ঋণ হাৰ / ম্যাদ পৰীক্ষা কৰক।
- ✓ যদি আছে— পূৰ্ব আঁচনিৰ প্ৰতিশ্ৰুতি, ক্ৰিয়াকলাপ পৰীক্ষা কৰক।
- ✓ প্ৰতিটো বিত্তীয় বৰ্ষ সামৰণি পৰাৰ পিছত দুমাহৰ ভিতৰত যাতে সমূহীয়া বিনিয়োগ ব্যৱস্থাপনা কোম্পানীয়ে যাতে তেওঁলোকৰ বাৰ্ষিক প্ৰতিবেদনৰ কপি আপোনালৈ পঠায় সেয়া নিশ্চিত কৰক।
- ✓ মনত ৰাখিব যে সমূহীয়া বিনিয়োগ ব্যৱস্থাপনা কোম্পানীয়ে বিনিয়োগকাৰীসকলক লাভালাভৰ অথবা টকা পৰিশোধ কৰাৰ নিশ্চয়তা প্ৰদান নকৰে।

**কৰিবনলগীয়া**

- × এছ ই বি আই (SEBI) ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত নোহোৱা চি আই এছ অস্তিত্বত বিনিয়োগ নকৰিব।
- × সহজ লাভৰ প্ৰতিশ্ৰুতি, বজাৰৰ গুজৱ, বিজ্ঞাপন আদিত ভোল নাযাব।

# ডেৰিভেটিভ্‌ছ্‌
# [Derivatives]

কৰিবলগীয়া ঃ

- ✓ বিনিময় কেন্দ্ৰৰ নীতি-নিৰ্দেশনা, উপবিধি, ঘোষণা আদি ভালদৰে পঢ়ক।
- ✓ এছ ই বি আই (SEBI) ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ব্যৱসায় সদস্য (Trading Member (TM)) নাইবা বিনিময় কেন্দ্ৰৰ পঞ্জীভুক্ত আৰু ব্যৱসায় সদস্যৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ স'তে লেন-দেন কৰক।
- ✓ কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ সৈতে লেন-দেন কৰোতে লক্ষ্য ৰাখিব যাতে কেৱল ব্যৱসায় সদস্য নাইবা কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিজনৰ দ্বাৰাহে চুক্তিপত্ৰ সম্পাদিত হৈছে।
- ✓ কেৱল ব্যৱসায় সদস্যগৰাকীহে দালালী কমিচন / টকা / উপৰুৱা লাভ আদি দিব।
- ✓ প্ৰতিটো ব্যৱসায় পত্ৰ চুক্তি আদিত যাতে আপোনাৰ ব্যৱসায় সদস্যই চহী কৰে সেয়া নিশ্চিত কৰিব।
- ✓ মাৰ্জিন লাভৰ ক্ষেত্ৰত আনুষংগিক জমাৰ ৰচিদ যাতে ব্যৱসায় সদস্যৰ পৰা পায় তাৰ প্ৰতি লক্ষ্য ৰাখিব।
- ✓ মক্কেল আৰু ব্যৱসায় সদস্যৰ চুক্তি সম্পৰ্কীয় সবিশেষ পঢ়ক।
- ✓ আপোনাৰ আৰু ব্যৱসায় সদস্যৰ অধিকাৰ আৰু কৰ্তব্য সম্পৰ্কে ভালদৰে অৱগত হওঁক।
- ✓ বজাৰত আপোনাৰ স্থিতি / মাৰ্জিন নিয়মিত সংগ্ৰহ কৰক তথা তেওঁৰ প্ৰাপ্যখিনি তেওঁক পৰিশোধ কৰক।

কৰিবনলগীয়া

- ✓ ব্যৱসায়ৰ সম্ভাব্য ক্ষতিৰ বিষয়ে নপঢ়াকৈ বা নুবুজাকৈ ব্যৱসায় নকৰিব।
- ✓ কোনো সামগ্ৰীৰ সৈতে জড়িত শংকাৰ কাৰণ অথবা লাভালাভৰ বিষয়ে নজনাকৈ সেই সামগ্ৰীৰ ব্যৱসায় নকৰিব।

# ক্ৰয় প্ৰণালী

**প্ৰডাক্ত বা উৎপন্ন বস্তু কাৰ পৰা ক্ৰয় কৰিব ?**

- ➢ দালাল ঃ দালালসকলে ইকুইটি, ঋণ আৰু ডেৰিভেটিভ উৎপাদন উমৈহতীয়া পুঁজিৰ অংশ, আই পি অ (IPO) আদি ক্ৰয় / বিক্ৰয় কৰাৰ জৰিয়তে সেৱা আগবঢ়াব।
- ➢ বেংক ঃ বহুতো বেংকে ইকুইটি, ঋণ আৰু ডেৰিভেটিভ উৎপাদন, উমৈহতীয়া পুঁজিৰ অংশ, আই পি অ (IPO) আদি প্ৰকৃতভাৱে নাবা তেওঁলোকৰ ৱেবচাইটৰ জৰিয়তে ক্ৰয় / বিক্ৰয় কৰাৰ সুবিধা আগবঢ়ায়।
- ➢ উমৈহতীয়া পুঁজি (Mutual Fund) ঃ প্ৰায় সকলোবোৰ উমৈহতীয়া পুঁজিয়েই 'অনলাইন' নাইবা শাৰীৰিকবাৰে ক্ৰয় / বিক্ৰয় কৰাৰ সুবিধাৰে উপলব্ধ।
- ➢ পুঁজি বিনিময় কেন্দ্ৰ (Stock Exchanges) ঃ বন্ধ প্ৰকৃতিৰ উমৈহতীয়া পুঁজিসমূহ ষ্টক বিনিময় কেন্দ্ৰৰ জৰিয়তে ব্যৱসায় কৰাৰ লগতে সেইবোৰ দালালৰ পৰা কিনিব পাৰি। ঠিক সেইদৰে মুক্ত প্ৰকৃতিৰ উমৈহতীয়া পুঁজিসমূহো পুঁজি বিনিময় কেন্দ্ৰৰ জৰিয়তে ক্ৰয় / বিক্ৰয় কৰিব পাৰি।
- ➢ মূলধন বজাৰৰ বিনিয়োগকাৰী হোৱাৰ ক্ষেত্ৰত ল'বলগীয়া পদক্ষেপ প্ৰথম প্ৰয়োজনীয় হ'ল পেন কাৰ্ড (Pan Card)। এয়া সকলো বিনিয়োগকাৰীৰ বাবে বাধ্যতামূলক।
- ➢ অন্যান্য প্ৰায়োজনীয়খিনি লৈ বেংক একাউণ্ট আৰু ডিমাট একাউণ্ট। পুঁজি আৰু বন্ধকীৰ বেঁচা-কিনাৰ সুবিধাৰ বাবে ডিমাট একাউণ্টটো বেংক একাউণ্টৰ স'তে সংযুক্ত হৈ থাকে।
- ➢ ইয়াৰ পৰৱৰ্তী প্ৰদক্ষেপ হ'ল দালাল নিৰ্বাচন কৰা, কে ওৱাই ডি (kyc) প্ৰ-পত্ৰ পূৰোৱা আৰু দালাল-মক্কেলৰ চুক্তি সম্পাদন কৰা
- ➢ ইয়াৰ পিছত দালালে মক্কেলৰ এটি সুকীয়া পৰিচয় পত্ৰ প্ৰস্তুত কৰিব যিটো তেওঁৰ পৰিচয় হিচাপে গণ্য হ'ব।
- ➢ এতিয়া আপুনি সকলোধৰণৰ ছিকুৰিটি আদি ক্ৰয়/বিক্ৰয় কৰাত সক্ষম।

## কোনে কি ধৰণৰ অস্তিত্ব নিয়ন্ত্ৰণ কৰে

তলৰ তালিকাতে ত্তিীয় বজাৰৰ বিভিন্ন ধৰণৰ কোম্পানি/মধ্যস্ততাৰী/ সেৱা যোগোওঁতাৰ নাম আৰু নিয়ন্ত্ৰণকাৰী সংস্থাৰ নাম দিয়া হৈছে।

| অস্তিত্বৰ ধৰণ | নিয়ন্ত্ৰণকাৰী সংস্থা |
|---|---|
| হিচাপ পৰীক্ষক | আই চি এ আই/চি এ জি |
| বেংক | ভাৰতীয় ৰিজাৰ্ভ বেংক |
| বেং-জাৰী আৰু সংগ্ৰহ | এছ ই বি আই |
| চীট ফাণ্ড | চীট ফাণ্ডৰ পঞ্জয়ীক |
| সমূহীয়া বিনিয়োগ আঁচনি | এছ্ই ই বি আই |
| সমূহ কোম্পানি | এম চি এ / আৰ অ' চি |
| তালিকাভুক্ত কোম্পানি | এম চিএ / আৰ অ' চি /এছ ই বি আই /এছ ই |
| কোম্পানি সচিব | আই চি এছ আই |
| সমায় বেংক | ভাৰতীয় ৰিজাৰ্ভ বেংক |
| ব্যয় গাণণিক | আই চি ডব্লিউ এ আই |
| ঋণ হাৰকৰণ এজেঞ্চি | এছ ই বি আই |
| অধীনস্থ সেৱা | ,, |
| ডিবেঞ্চাৰ ন্যাসৰক্ষী | ,, |
| জমাকৰোতা | ,, |
| জমাকৰোতা অংশগ্ৰহণকাৰী | এছ বি বি আই /এন এছ ডি এল / চি ভি এছ এল |
| বিদেশী বিনোয়গ অনুষ্ঠান | এছ ই বি আই |
| গৃহ নিৰ্মাণ বিত্তয়ী কোম্পানী | এন এইচ বি |
| বীমা কোম্পানি | ,, |
| বিনিয়োগ বেংকাৰ (মাৰ্চেণ্ট বেংকাৰ) | এছ ই বি আই |
| বিনিয়োগকাৰীৰ সংগঠন | ,, |
| প্ৰচাৰ মাধ্যম (বাতৰি কাকত, আলোচনী | |
| টেলিভিচন আদি) | এম আই বি |
| উমৈহতীয়া পুঁজি আৰু সম্পত্তি ব্যৱস্থাপনা | |
| কোম্পানি | এছ ই বি আই |
| উমৈহতীয়া পুঁজিৰ দালাল /এজেণ্ট | এ এফ এফ আই / এছ ই বি আই |
| নন বেংকি বিত্তীয় কোম্পানি (এন বি এফ চি এছ) | ভাৰতীয় ৰিজাৰ্ভ বেংক |
| নিধি কোম্পানি | এম চি এ |
| প্লেনটেশ্বন কোম্পানি | এছ ই বি আই |
| পোৰ্টফলিঅ' মেনেজাৰ | এছ ই বি আই |
| পঞ্জীয়নক আৰু অংশ হস্তান্তৰকৰণ এজেণ্ট | ,, |
| ষ্টক দালাল | এছ ই বি আই /এছ ই |
| ষ্টক বিনিময় কেন্দ্ৰ | এছ ই বি আই |
| উপদালাল | ,, |
| ভেঞ্চাৰ মূলধন পুঁজি | ,, |

# কৃতজ্ঞতা স্বীকাৰ

কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয় (www.mca.gov.in), বিনিয়োগ শিক্ষা আৰু সুৰক্ষা পুঁজি (www.iepf.gov.in) এন এছ ই (www.nseindia.com), বি এছ ই (www.bseindia.com), এম চি এ—এছ এক্স (www.mca_sx.com), প্ৰাইম ডাটাবেছ (www.primedatabase.com) আদি বিভিন্ন অনুষ্ঠানৰ ৱেব্‌চাইট সমূহৰপৰা আৰু আই চি এ আই (ICAI), আই চি এছ আই (ICSI) আৰু আই চি ডব্লিউ এ আইৰ দ্বাৰা প্ৰস্তুত পঠন সামগ্ৰীৰ সহায়ত এই পুস্তিকা প্ৰাথমিকভাৱে প্ৰস্তুত তথা সংকলন কৰা হৈছে।

# অব্যাহতি

এই পুথিখন কেৱল মাত্ৰ তথ্যৰ যোগান ধৰি ৰাইজক সজাগ কৰি তুলিবলৈহে প্ৰকাশ কৰা হৈছে। পুথিখন প্ৰস্তুত কৰোতে যদিও বিভিন্ন দিসলৈ লক্ষ্য ৰসা হৈছে তথাপি পাঠকৰ কোনোধৰণৰ সিদ্ধান্ত তথা ক্ষতিৰ ক্ষেত্ৰত কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয় দায়বদ্ধ নহ'ব।

লক্ষ্যণীয় যে মূলধন বজাৰ সকলো সময়তে সলনি হৈ থাকে; সেয়েহে এই সম্পৰ্কীয় সাম্প্ৰতিক তথ্য, আইন আদিৰ বাবে পাঠকে সংশ্লিষ্ট নিয়ন্ত্ৰণকাৰী সংস্থা আৰু ৱেব্‌চাইটৰ সহায় লয় যেন।